**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-06-2026
**Time :** 1340 Hrs.

***<u>Assamese Midday Bulletin</u>***
***HEADLINES***
ooooooooo

১। ভাৰতে জুনত স্বদেশী C-295 শ্ৰেণীৰ বিমানৰ প্ৰথম উৰণেৰে বিমান পৰিবহণ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ সাফল্য অৰ্জন কৰা বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।
২। আকাশবাণীযোগে প্ৰচাৰিত মন কী বাত অনুষ্ঠানত আজি প্ৰধানমন্ত্ৰীয়ে হাৰগিলা চৰাই সংৰক্ষণত জড়িত অসমৰ হাৰগিলা আৰ্মীৰ ভূয়সী প্ৰশংসা কৰে।
৩। চিচিলিৰ ভিক্টৰিয়াত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু দেশখনৰ ৰাষ্ট্ৰপতি ড০ পেট্ৰিক হাৰ্মিনীৰ মাজত দ্বিপাক্ষিক আলোচনা চলি আছে।
৪। ভাৰতৰ তাৰকা খেলুৱৈ কিদাম্বী শ্ৰীকান্তে আজি ইউ এছ অ'পেন বেডমিণ্টন চেম্পিয়নশ্বিপৰ পুৰুষৰ ছিংগলছৰ ফাইনেল খেলিব। ***আৰু***
৫। পুৰুষৰ টি-২০ আন্তৰ্জাতিক ক্ৰিকেট শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন খেলত ভাৰত আজি আয়াৰলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooo

ভাৰতে জুনত স্বদেশী C-295 শ্ৰেণীৰ বিমানৰ প্ৰথম উৰণেৰে বিমান পৰিবহণ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ সাফল্য অৰ্জন কৰা বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। আকাশবাণীৰ মন কি বাত অনুষ্ঠানৰ যোগেদি আজি দেশ-বিদেশৰ জনসাধাৰণ সৈতে মত বিনিময় কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে বৰ্তমান দেশত এনেধৰণৰ আৰু ৪০ খন বিমান নিৰ্মাণ কৰি থকা হৈছে। তেওঁ কয়, যে ইয়াৰ ফলত অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ তথা বিমানাকাশ ক্ষেত্ৰই গতি লাভ কৰাৰ লগতে কৰ্মসংস্থাপন সুযোগ সৃষ্টি হৈছে আৰু আত্মনিৰ্ভৰ ভাৰতৰ সংকল্প সুদৃঢ় হৈ উঠিছে। চলিত মাহত কলকাতাত আই এন এছ ডুনাগিৰি, সংশোধক আৰু অগ্ৰয় নামৰ তিনিখন যুদ্ধ জাহাজ নৌ সেনা বাহিনীক অন্তৰ্ভুক্ত কৰা বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে কয়, যে জাহাজ তিনিখনৰ আৰ্হিৰ পৰা নিৰ্মাণলৈকে সকলোখিনি স্বদেশী। জুনৰ প্ৰতিৰক্ষা গৱেষণা আৰু বিকাশ সংস্থা ডি অ' ডি অ'য়ো ভূপৃষ্ঠৰ পৰা আকাশমাৰ্গলৈ নিক্ষেপ কৰিব পৰা দীৰ্ঘ দূৰত্বভেদী ক্ৰুইজ ক্ষেপনাস্ত্ৰৰ পৰীক্ষা সফলতাৰে সম্পন্ন কৰা বুলি শ্ৰী মোদীয়ে উল্লেখ কৰে। তেওঁ কয়, যে ডি আৰ ডি অ'ই ভাৰতীয় উদ্যোগ জগতৰ সহযোগিতাৰে এই ক্ষেপনাস্ত্ৰবিধ বিকশাই তুলিছে। তেওঁ লগতে কয়, যে ভাৰত সমুদ্ৰৰ পৰা আকাশলৈ ক্ৰমান্বয়ে আত্মনিৰ্ভৰশীলতাৰ দিশে অগ্ৰসৰ হৈছে। প্ৰধানমন্ত্ৰীয়ে অনুষ্ঠানত বিশ্বজুৰি পালন কৰা আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ বিষয়েও উল্লেখ কৰে। তেওঁ কয়, যে এইবাৰ এই দিৱসৰ সৈতে সংগতি ৰাখি বিশ্বৰ বিভিন্ন দেশৰ আঢ়ৈ হাজাৰটাতকৈও অধিক স্থানত জনসাধাৰণে যোগাভ্যাসৰ কাৰ্যসূচীত ভাগ লয়। আহমেদাবাদত আয়োজিত বিশ্ব যোগাসন প্ৰতিযোগিতাৰ বিষয়ে উল্লেখ কৰি শ্ৰী মোদীয়ে কয়, যে এই প্ৰতিযোগিতাত ভাৰতে ১০২টা সোণৰ পদক সহ মুঠ ১১৪টা পদক অৰ্জন কৰিবলৈ সমৰ্থ হয়।

প্ৰতিযোগিতাত ভাৰতে শীৰ্ষ স্থান দখল কৰে। শ্ৰী মোদীয়ে অনুষ্ঠানৰ জৰিয়তে প্ৰতিযোগিতাত পদক বিজয়ী খেলুৱৈসকলক অভিনন্দন জ্ঞাপন কৰে।

ৰাষ্ট্ৰগঠন প্ৰক্ৰিয়াত জনসাধাৰণৰ অংশগ্ৰহণ দেশৰ বাবে অমূল্য সম্পদ বুলি অভিহিত কৰি শ্ৰী মোদীয়ে কয়, যে পশ্চিম এছিয়াৰ যুদ্ধৰ ফলত সৃষ্টি হোৱা পৰিস্থিতিলৈ চাই তেওঁ জনোৱা আহ্বানৰ প্ৰতি কিছুমান ঠাইৰ লোকে একতাৰ পৰিচয় দিয়ে আৰু সোণৰ ক্ৰয় তথা বিদেশ ভ্ৰমণ স্থগিত ৰাখে। শ্ৰী মোদীয়ে তেওঁৰ আহ্বানৰ প্ৰতি সঁহাৰি জনোৱাৰ বাবে দেশৰ প্ৰতিগৰাকী নাগৰিকলৈ কৃতজ্ঞতা প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে চৰকাৰে জনসাধাৰণৰ সুৰক্ষাৰ কথা বিবেচনা কৰি প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনাৰ অধীনত গাইপ্ৰতি মাত্ৰ ২০ টকাৰ বাৰ্ষিক কিস্তিত দুই লাখ টকা পৰ্যন্ত দুৰ্ঘটনাজনিত বীমাৰ সুবিধা আগবঢ়াইছে। তেওঁ কয়, যে বৰ্তমানলৈকে ৫৮ কোটি লোকে এই আঁচনিৰ সুবিধা গ্ৰহণ কৰিছে। ইয়াৰ ভিতৰত প্ৰায় ৪৮ কোটি মহিলা আছে বুলি তেওঁ জানিবলৈ দিয়ে। শ্ৰী মোদীয়ে কয়, যে আঁচনিখনৰ মাধ্যমেৰে বৰ্তমানলৈকে তিনি হাজাৰ ৭০০ কোটিৰো অধিক টকাৰ সাহায্য আগবঢ়োৱা হৈছে। শ্ৰী মোদীয়ে লগতে প্ৰধানমন্ত্ৰী জীৱন বীমা **জীৱন জ্যোতি** আঁচনিৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰে। তেওঁ কয়, যে এই আঁচনিৰ অধীনত আকস্মিক মৃত্যুৰ বাবে কোনো ব্যক্তিৰ পৰিয়াললৈ দুই লাখ টকাৰ বীমা আগবঢ়োৱা হয়। এই আঁচনিৰ বাৰ্ষিক কিস্তিৰ মাত্ৰ ৪৩৬ টকা বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয়, যে বৰ্তমানলৈকে ২৭ কোটি লোকে এই আঁচনিৰ সুবিধা গ্ৰহণ কৰিছে আৰু ১১ লাখ পৰিয়ালে প্ৰায় ২২ হাজাৰ কোটি টকা সাহায্য লাভ কৰিছে। শ্ৰী মোদীয়ে আঁচনিখনৰ বিষয়ে পৰিয়ালক অৱগত কৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়। প্ৰধানমন্ত্ৰীয়ে এইবাৰৰ মন কী বাত অনুষ্ঠানত অন্ধবিশ্বাসৰ বিষয়েও চৰ্চা কৰে। তেওঁ কয়, যে মানৱ সমাজত যুগ যুগ ধৰি অন্ধবিশ্বাস প্ৰোথিত হৈ আছে। তেওঁ লগতে কয়, যে অধিকাংশ ক্ষেত্ৰত অন্ধবিশ্বাস অকল ভুল ধাৰণাৰে নহয়, বৰং ইয়াৰ পৰা ভয়ৰ সৃষ্টি হয় আৰু ভয়ে আবৰি ৰাখিলে সত্যটো দেখা পোৱা নাযায়। প্ৰধানমন্ত্ৰীয়ে লগতে অন্ধবিশ্বাসী ব্যক্তিয়ে কোনো ধৰণৰ যুক্তি অবিহনে সিদ্ধান্ত গ্ৰহণ কৰাৰ বিষয় লৈ উদ্বেগ প্ৰকাশ কৰে।

অসমৰ কেতবোৰ ঠাইত হাড়গিলা চৰাইক কিদৰে অস্পৃশ্য বুলি গণ্য কৰা হৈছিল বুলি আৰু অন্ধবিশ্বাসৰ বশৱৰ্তী হৈ আনকি হাড়গিলা চৰায়ে বাহ সজা গছ কাটি দিয়া হৈছিল বুলি তেওঁ প্ৰকাশ কৰে। এনে সময়তে পূৰ্ণিমা দেৱী বৰ্মনে জনসাধাৰণৰ মাজত গভীৰভাৱে শিপাই থকা এই ভুল ধাৰণা দূৰ কৰাৰ বাবে সংকল্প লয়। তেওঁ প্ৰকৃতি পৰিষ্কাৰ কৰি ৰখাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা পক্ষীবিধক লৈ মহিলাৰ সৈতে কথা পাতে আৰু বিজ্ঞানৰ আধাৰত তথ্যসহকাৰে ব্যাখ্যা আগবঢ়ায়। ইয়াৰ ফলস্বৰূপে মহিলাসকলে এই অভিযানত যোগদান কৰিবলৈ লয় আৰু গুৰুত্ব পৰিৱৰ্তনৰ সূচনা হয়। হাড়গিলা চৰাইবিধক ৰক্ষা কৰাৰ বাবে ওলাই অহা গ্ৰামাঞ্চলৰ এই হাজাৰ হাজাৰ মহিলা আজি হাড়গিলা আৰ্মীৰূপে জনাজাত বুলি প্ৰধানমন্ত্ৰী উল্লেখ কৰে।

(বাইট)

অনুষ্ঠানৰ শেষত জল সংৰক্ষণত গুৰুত্ব আৰোপ কৰি প্ৰধানমন্ত্ৰীয়ে বৰষুণৰ প্ৰতি টোপাল পানী সংৰক্ষণ কৰা উচিত বুলি মন্তব্য কৰে। কেটছ্ দ্যা ৰেইন অভিযান মন্থৰ হোৱা উচিত নহয় বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০

তিনিদিনীয়া ভ্ৰমণসূচীৰে ভাৰত মহাসাগৰীয় দ্বীপৰাষ্ট্ৰ চিচিলিলৈ যোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু চিচিলিৰ ৰাষ্ট্ৰপতি ডঃ পেট্ৰিক হাৰ্মিনীৰ মাজত দ্বিপাক্ষিক আলোচনা চলি আছে। দেশখনৰ ৰাজধানী ভিক্ট'ৰীয়াত এই আলোচনা অনুষ্ঠিত হৈছে। দুয়োগৰাকী নেতাই দ্বিপাক্ষিক সহযোগিতাৰ পুংখানুপুংখ

পৰ্যালোচনা কৰাৰ লগতে বিভিন্ন আঞ্চলিক আৰু আন্তৰ্জাতিক বিষয়ত মত বিনিময় কৰিব। ইয়াৰ পূৰ্বে ষ্টেট হাউছত ৰাষ্ট্ৰপতি হাৰ্মিনীৰ উপস্থিতিত শ্ৰীমোদীক গাৰ্ড অৱ অ'নাৰ প্ৰদৰ্শন কৰা হয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চিচিলিৰ সংসদ নেচনেল এছেম্বলিত ভাষণ দিব আৰু প্ৰবাসী ভাৰতীয়সকলৰ সৈতে মত বিনিময় কৰিব। ইয়াৰ পাছত তেওঁ চিচিলিৰ ৰাষ্ট্ৰীয় দিৱসৰ সোণালী জয়ন্তী উদযাপন অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানত ভাৰতীয় নৌসেনাৰ দুখন জাহাজাৰ লগতে ভাৰতীয় প্ৰতিৰক্ষা বাহিনীৰ এটা দলে ভাগ ল'ব।

০০০

দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী পি ভি নৰসিংহ ৰাওক তেওঁৰ জন্মদিৱসত আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে দেশৰ ইতিহাসৰ এছোৱা জটিল সময়ত দেশৰ প্ৰগতিৰ প্ৰতি প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীয়ে আগবঢ়োৱা অৱদানক স্মৰণ কৰে। তেওঁ কয়, যে প্ৰয়াত ৰাও এগৰাকী যোগ্য প্ৰশাসক হিচাপে স্বীকৃত হৈছিল। প্ৰধানমন্ত্ৰীয়ে লগতে কয়, যে নৰসিংহ ৰাও এজন উচ্চ জ্ঞানসম্পন্ন ব্যক্তি আছিল আৰু তেওঁৰ ভাৰতৰ বৈচিত্ৰ্যপূৰ্ণ সংস্কৃতি সন্দৰ্ভত গভীৰ জ্ঞান আছিল।

০০০

ভাৰতৰ তাৰকা খেলুৱৈ কিদাম্বী শ্ৰীকান্তে আজি ইউ এছ্ অ'পেন বেডমিণ্টন চেম্পিয়নশ্বিপৰ পুৰুষৰ ছিংগলছৰ ফাইনেলত প্ৰৱেশ কৰিছে। প্ৰতিযোগিতাৰ ফাইনেল খেলখন আজি কেলিফৰ্নিয়াৰ টাইটান জীমত অনুষ্ঠিত হ'ব। ফাইনেলত ভাৰতৰ খেলুৱৈগৰাকী চীনা টাইপেইৰ ছু লি য়াঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। শ্ৰীকান্তে ছেমি ফাইনেলত জাপানৰ য়ুডাই অ'কিম'ট'ক ২২-২০, ১৫-২১, ২১-১৯ গেমত পৰাজিত কৰে।

আনহাতে ভাৰতৰ ৰৌনাক চৌহান পুৰুষৰ ছিংগলছৰ ছেমি ফাইনেলত চীনা টাইপেইৰ ছু লি য়াঙৰ বিৰুদ্ধে ১৭-২১, ১৯-২১ গেমত পৰাজিত হয়। মহিলাৰ ছিংগলছত ভাৰতৰ দেবিকা ছিহাগ ডেনমাৰ্কৰ লিনে খ্ৰিষ্টোফাৰ্চেনৰ বিৰুদ্ধে ছেমি ফাইনেলত পৰাজিত হয়। ডেনমাৰ্কৰ খেলুৱৈগৰাকীয়ে ২১-১৬, ১১-২১, ২১-১১ গেমত জয়ী হৈ ফাইনেলত প্ৰৱেশ কৰে।

০০০

ভাৰত আজি আয়াৰলেণ্ডৰ বিৰুদ্ধে পুৰুষৰ টি-২০ আন্তৰ্জাতিক ক্ৰিকেটৰ দ্বিতীয় তথা অন্তিমখন খেলত অৱতীৰ্ণ হ'ব। খেলখন আয়োজক দেশ আয়াৰলেণ্ডৰ বেলফাষ্টত আজি সন্ধিয়া ৬ বজাত অনুষ্ঠিত হ'ব। শুকুৰবাৰে অনুষ্ঠিত শৃংখলাৰ প্ৰথমখন খেলত আয়াৰলেণ্ডে ভাৰতক ৩৪ ৰানত পৰাজিত কৰিছিল। আজিৰ খেলখনত জয়লাভেৰে ভাৰতে শৃংখলাত সমতা স্থাপনৰ চেষ্টা কৰিব। আনহাতে আয়াৰলেণ্ডে আজিৰ খেলখনত জয়লাভ কৰি গৃহ ভূমিত শৃংখলা হস্তগত কৰাৰ সুযোগ গ্ৰহণ কৰিব।

০০০

আই চি চি মহিলা টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি গ্ৰুপ-এৰ অন্তিম খেলখনত ভাৰত আৰু অষ্ট্ৰেলিয়া মুখামুখি হ'ব। খেলখন সন্ধিয়া ৭ বজাত লণ্ডনৰ লৰ্ডছ্ ক্ৰিকেট গ্ৰাউণ্ডত অনুষ্ঠিত হ'ব। হৰমনপ্ৰীত কৌৰে নেতৃত্ব দিয়া ভাৰতীয় দলটোৱে গ্ৰুপ পৰ্যায়ৰ ৪ খন খেলৰ তিনিখনতে জয়লাভ কৰি গ্ৰুপ-এৰ দ্বিতীয় স্থানত আছে। আনহাতে গ্ৰুপৰ চাৰিওখন খেলতে জয়লাভ কৰি অষ্ট্ৰেলিয়া গ্ৰুপ-এৰ শীৰ্ষত আছে। ভাৰতে আজি অষ্ট্ৰেলিয়াক পৰাজিত কৰি ছেমি ফাইনেলত প্ৰৱেশৰ চেষ্টা চলাব।

০০০

সমাপ্ত